ড° বিভা হাজৰিকা (2025). শিক্ষাৰ ওপৰত ছচিয়েল মিডিয়াৰ প্ৰভাৱ . *International Journal of Multidisciplinary Research & Reviews, 4(4), 100-111.*

INTERNATIONAL JOURNAL OF
MULTIDISCIPLINARY RESEARCH & REVIEWS

journal homepage: www.ijmrr.online/index.php/home

# শিক্ষাৰ ওপৰত ছচিয়েল মিডিয়াৰ প্ৰভাৱ

ড° বিভা হাজৰিকা
সহকাৰী অধ্যাপক
তেলাহী তুৱাৰাম নাথ কলেজ

**How to Cite the Article:** ড° বিভা হাজৰিকা (2025). শিক্ষাৰ ওপৰত ছচিয়েল মিডিয়াৰ প্ৰভাৱ . *International Journal of Multidisciplinary Research & Reviews, 4(4), 100-111.*

https://doi.org/10.56815/ijmrr.v4i4.2025.100-111

বিজ শব্দ

ছচিয়েল মিডিয়া
শিক্ষা
ইণ্টাৰনেট
যুৱ প্ৰজন্ম

***Abstract***

কৰা হৈছে। বৰ্তমান সময়ত ছচিয়েল মিডিয়াই মানৱ সমাজক গ্ৰাস কৰিছে। পুৰণি চামক বাদ দি এনেকুৱা কোনো ব্যক্তি নাই যি ছচিয়েল মিডিয়াৰ লগত যুক্ত হৈ থকা নাই। বহুতে ছচিয়েল মিডিয়াৰ প্ৰভাৱৰ বিষয়ে ভাল বেয়া দিশবোৰ সমালোচনা কৰিছে। সমালোচনা কৰিবৰে কথা, যিয়ে মানুহৰ জীৱন ধাৰণৰ প্ৰণালীয়েই সুকীয়া কৰিছে তাৰ সমালোচনাৰ প্ৰয়োজন আছে। কথা হ'ল আমি সমালোচনা কৰোঁ বা নকৰোঁ কিন্তু ইয়াৰ প্ৰচাৰ প্ৰসাৰ আৰু মানুহৰ ওপৰত ছচিয়েল মিডিয়াৰ প্ৰভাৱ বাৰুকৈয়ে মন কৰিবলগিয়া। ই মানুহৰ মানসিক স্তৰ পৰ্যন্ত বিয়পি পৰিছে। ৰাতি পুৱাৰ পৰা ৰাতিলৈকে প্ৰতি মূহুৰ্ততে মবাইল আৰু ছচিয়েল মিডিয়াৰ প্ৰভাৱ পৰিছে। প্ৰধানত কম বেছি পৰিমানে ছচিয়েল মিডিয়াই কিতাপৰ প্ৰয়োজন পূৰণ কৰিছে। ই শিশুৰ মানসিকতা সলনি কৰিছে। গতিকে গৱেষণা পত্ৰত শিশুসকলে/ ছাত্ৰই কেনেদৰে ছচিয়েল মিডিয়াৰ পৰা শিক্ষা গ্ৰহণ কৰিছে বা ইয়াৰ শিক্ষাৰ ওপৰত পৰা প্ৰভাৱ সম্পৰ্কে আমাৰ গৱেষনা পত্ৰখনত আলোচনা কৰা হৈছে ।

The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License

ড° বিভা হাজৰিকা (2025). **শিক্ষাৰ ওপৰত ছচিয়েল মিডিয়াৰ প্ৰভাৱ** . *International Journal of Multidisciplinary Research & Reviews, 4(4), 100-111.*

| | |
|---|---|
| | কৰা হৈছে। বৰ্তমান সময়ত ছচিয়েল মিডিয়াই মানৱ সমাজক গ্ৰাস কৰিছে। পুৰণি চামক বাদ দি এনেকুৱা কোনো ব্যক্তি নাই যি ছচিয়েল মিডিয়াৰ লগত যুক্ত হৈ থকা নাই। বহুতে ছচিয়েল মিডিয়াৰ প্ৰভাৱৰ বিষয়ে ভাল বেয়া দিশবোৰ সমালোচনা কৰিছে। সমালোচনা কৰিবৰে কথা, যিয়ে মানুহৰ জীৱন ধাৰণৰ প্ৰণালীয়েই সুকীয়া কৰিছে তাৰ সমালোচনাৰ প্ৰয়োজন আছে। কথা হ'ল আমি সমালোচনা কৰোঁ বা নকৰোঁ কিন্তু ইয়াৰ প্ৰচাৰ প্ৰসাৰ আৰু মানুহৰ ওপৰত ছচিয়েল মিডিয়াৰ প্ৰভাৱ বাৰুকৈয়ে মন কৰিবলগিয়া। ই মানুহৰ মানসিক স্তৰ পৰ্যন্ত বিয়পি পৰিছে। ৰাতি পুৱাৰ পৰা ৰাতিলৈকে প্ৰতি মুহূৰ্তে মবাইল আৰু ছচিয়েল মিডিয়াৰ প্ৰভাৱ পৰিছে। প্ৰধানত কম বেছি পৰিমানে ছচিয়েল মিডিয়াই কিতাপৰ প্ৰয়োজন পূৰণ কৰিছে। ই শিশুৰ মানসিকতা সলনি কৰিছে। গতিকে গৱেষণা পত্ৰত শিশুসকলে/ ছাত্ৰই কেনেদৰে ছচিয়েল মিডিয়াৰ পৰা শিক্ষা গ্ৰহণ কৰিছে বা ইয়াৰ শিক্ষাৰ ওপৰত পৰা প্ৰভাৱ সম্পৰ্কে আমাৰ গৱেষনা পত্ৰখনত আলোচনা কৰা হৈছে । |

**অৱতৰণিকাঃ**

**০.০১ বিষয়ৰ পৰিচয়ঃ**

ইণ্টাৰনেট আমাৰ মাজলৈ অহা বৰ বেছি দিনৰ কথা নহয়। কিন্তু ইয়াৰ প্ৰচাৰ প্ৰসাৰ আৰু মানুহৰ ওপৰত ছচিয়েল মিডিয়াৰ প্ৰভাৱ বাৰুকৈয়ে মন কৰিবলগিয়া। ই মানুহৰ মানসিক স্তৰ পৰ্যন্ত বিয়পি পৰিছে। ৰাতিপুৱাৰ পৰা ৰাতিলৈ প্ৰতি মুহূৰ্ততে মবাইল আৰু ছচিয়েল মিডিয়াৰ প্ৰভাৱ পৰিছে। ২০০৪ চনৰ ৪ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হৈছিল ফেচবুক। অৰ্থাৎ এই মাধ্যম ১৪ বছৰ পুৰণি। গাঁৱে-ভূঞে ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰ দিনকদিনে বাঢ়ি গৈ আছে। যোৱা দুবছৰ ভাৰততে যিবোৰ গুৰুত্বপূৰ্ণ খবৰে বিশেষ চৰ্চা লাভ কৰিছে সেই খবৰবোৰো কিন্তু প্ৰথমে প্ৰকাশ পাইছে ডিজিটেল মাধ্যমত। তাৰ পৰাহে এই খবৰবোৰ গৈ মূল সংবাদমাধ্যম পাইছিলগৈ।

ছ'চিয়েল মিডিয়াৰ ব্যৱহাৰৰ সন্দৰ্ভত একাষাৰে নেতিবাচক মন্তব্য কৰা সকলেই এতিয়া এই মাধ্যমৰ শৰণাপন্ন হৈছে। এনে কথা-বতৰাও চৰ্চা হৈছে যে, সকলো থকাৰ পাছতো ম'বাইলত ইণ্টাৰনেট নাথাকিলে মানুহ এতিয়া স্থবিৰ হৈ পৰা দিন আহিছে। কাৰণ এই মাধ্যমবোৰৰ জৰিয়তে সকলোৰেই সম্ভৱ। ছচিয়েল মিডিয়াত যিহেতু যুৱপ্ৰজন্ম বেছি সক্ৰিয় হৈ থাকে গতিকে শিক্ষাৰ লগত ছচিয়েল মিডিয়া ওতঃপ্ৰোত ভাৱে জড়িত হৈ আছে। যুৱ প্ৰজন্মৰ মানসিক স্তৰ গঢ়াত বিশেষ ভূমিকা পালন কৰিছে ছচিয়েল মিডিয়াই। আমাৰ গৱেষণা পত্ৰখনৰ মূল বিষয় হ'ল, ছচিয়েল মিডিয়া আৰু শিক্ষা। গতিকে ইয়াত আলোচনা কৰা হ'ব ছচিয়েল মিডিয়াই শিক্ষাৰ ওপৰত পেলোৱা প্ৰভাৱ ভাল দিশ / বেয়া দিশ আৰু ইয়াৰ কাৰণ সম্পৰ্কে ।

CC BY NC
The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License

ড° বিভা হাজৰিকা (2025). শিক্ষাৰ ওপৰত চচিয়েল মিডিয়াৰ প্ৰভাৱ . *International Journal of Multidisciplinary Research & Reviews, 4(4), 100-111.*

**০.০২ অধ্যয়ণৰ গুৰুত্ব আৰু উদ্দেশ্যঃ**

গৱেষণা পত্ৰখনৰ গুৰুত্ব যথেষ্ট আছে। কাৰণ যিটো বিষয়ে মানুহৰ ইতিমধ্যে মন মগজু ক্ৰয় কৰিছে। সেই বিষয়ৰ চৰ্চাৰ প্ৰয়োজন আছে। ছচিয়েল মিডিয়া মানুহে কেনেদৰে ব্যৱহাৰ কৰে বা কেনেদৰে ব্যৱহাৰ কৰা উচিত আদিৰ বিষয়ে বিশ্লেষণাত্মক আলোচনা কৰা হৈছে ।

**০.০৩ গৱেষণা পত্ৰৰ পদ্ধতিঃ**

আমাৰ গৱেষণা পত্ৰখনত বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে। ছচিয়েল মিডিয়াই শিক্ষাৰ ওপৰত পেলোৱা প্ৰভাৱৰ সম্পৰ্কত বিশ্লেষণাত্মক পদ্ধতিৰে গৱেষণা পত্ৰখন প্ৰস্তুত কৰা হৈছে।

**০.০৪ গৱেষণা পত্ৰৰ পৰিসৰঃ**

গৱেষণা পত্ৰৰ পৰিসৰ সীমিত। আমাৰ গৱেষণা পত্ৰ খনত কেৱল মাত্ৰ ছচিয়েল মিডিয়াই শিক্ষাৰ ওপৰত পেলোৱা প্ৰভাৱ আৰু ইয়াৰ দোষ গুণ সমূহহে আলোচনা কৰা হৈছে ।

**১.০০ ছচিয়েল মেডিয়া আৰু শিক্ষাঃ**

ছচিয়েল মিডিয়া মূলত বিশ্বৰ মানুহক কেন্দ্ৰ কৰি গঠিত এক প্লেটফৰ্ম। মানুহেই ছচিয়েল মিডিয়াৰ ব্যৱহাৰ তথা পৰিচালনা কৰে। ছচিয়েল মিডিয়া অৰ্থাৎ সামাজিক মাধ্যম জনগণৰ মাজত যোগাযোগ, চিন্তা-চৰ্চা,প্ৰতিভা, মনোৰঞ্জন, তথ্য,সংবাদ, সুখ-দুখৰ ভাগবতৰা কৰিব পৰা এক উমৈহতীয়া বিশ্ব মঞ্চ। পৃথিৱীজুৰি ইয়াৰ ব্যাপ্তি । ছচিয়েল মিডিয়া ব্যৱহাৰ কৰিব পৰা ডিজিটেল আহিলাসমূহ হ'ল মোবাইল, আইফোন,কম্পিউটাৰ, লেপটপ ইত্যাদি ।

ছচিয়েল মিডিয়া বুলিলে ইন্টাৰনেট, ফেচবুক, ইনষ্ট্ৰাগ্ৰাম, হোৱাটএপ, টুইটাৰ, মোবাইল আদি যোগাযোগৰ বৈদ্যুতিক মাধ্যমসমূহক বুজায়। সম্প্ৰতি ছচিয়েল মিডিয়াসমূহৰ ব্যৱহাৰ ইমান ব্যাপক আৰু সৰ্বাত্মক হৈ পৰিছে যে ইয়াৰ অবিহনে এটা মুহূৰ্তও পাৰ কৰিব নোৱাৰি। আজিকালি অফিচ আদালত, হাট-বজাৰ, বাট-পথ সকলোতে এই ছচিয়েল মিডিয়াসমূহৰ বহুল ব্যৱহাৰ চলি আছে।

এইসমূহ আহিলাত ইণ্টাৰনেট সংযোগৰ লগে লগে আপুনি আপোনাৰ একাউণ্টৰ মাধ্যমেৰে যুক্ত হৈ পৰে ছচিয়েল মিডিয়াৰ বহল পৃথিৱীখনৰ লগত। বিশ্বত ৩.৮১ বিলিয়ন ছচিয়েল মিডিয়াৰ ব্যৱহাৰকাৰী আছে । ই পৃথিৱীৰ ৪৯% জনসংখ্যাক সামৰি লয় ।ইয়াৰ প্ৰায় প্ৰতিজন ব্যক্তিৰেই আঠটাতকৈ অধিক বেলেগ বেলেগ ছচিয়েল মিডিয়াৰ একাউণ্ট আছে। যেনে ফেচবুক, টুইটাৰ, লিংকইন, ইনষ্টাগ্ৰাম, স্নেপচাট, পিন্টাৰেষ্ট, ৰেড্ডিট ইত্যাদি।

The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License

ব্যৱহাৰকাৰীসকলে গড়ে প্ৰতিদিনে আঢ়ৈ ঘণ্টাকৈ ছচিয়েল মিডিয়া ব্যৱহাৰ কৰে বুলি তথ্যত প্ৰকাশ। ভাৰতত ব্যৱহাৰকাৰীৰ সংখ্যা ৩৫১.৪ মিলিয়ন। চাবলৈ গ'লে দেশৰ গৰিষ্ঠসংখ্যক নাগৰিকেই ছচিয়েল মিডিয়া ব্যৱহাৰ কৰে। কয়লা খনিৰ শ্ৰমিকৰ পৰা দেশৰ প্ৰধানমন্ত্ৰী, ৰাষ্ট্ৰপতিলৈকে সকলোৱে ফেচবুকৰ দৰে জনপ্ৰিয় সামাজিক গণ মাধ্যমৰ ব্যৱহাৰকাৰী। যিহেতু ছচিয়েল মিডিয়াই কিতাপৰ ঠাই দখল কৰিলে আৰু জ্ঞান অধ্যয়নৰ সকলো স্থানেই দখল কৰিলে গতিকে সকলো ভাল বেয়া শিক্ষা ছচিয়েল মিডিয়াৰ পৰাই পায় । গতিকে ছচিয়েল মিডিয়া শিক্ষাৰ লগত সম্পৰ্ক এৰাব নোৱাৰা ।

**১.০১ ছচিয়েল মিডিয়াই শিক্ষাৰ ওপৰত পেলোৱা ভাল দিশঃ**

ছচিয়েল মিডিয়াৰ পৰা কি শিকিছোঁ বুলি প্ৰশ্ন হ'লেই একে মুখে সকলোৱে ক'ব কি শিকা নাই। সময় সলনি হৈছে। সলনি হৈছে মানুহৰ মন আৰু মাধ্যম। এতিয়া বাতৰি কাকত বা টেলিভিচনতকৈ আগতে খবৰ পোৱা যায় ছ'চিয়েল মিডিয়াত। সকলোৰে হাতে হাতে কেমেৰা থকা ম'বাইল। লগতে আছে এই ম'বাইলত ছ'চিয়েল মিডিয়া বিশেষ ফেচবুক, হোৱাটছএপ, ইনষ্টাগ্ৰাম, টুইটাৰ আদি। যিকোনো এজন লোকেই যিকোনো ঘটনা প্ৰত্যক্ষ কৰি মুহূৰ্তৰ ভিতৰতে বিশ্বজুৰি সেই খবৰ এই মাধ্যমবোৰৰ জৰিয়তে প্ৰচাৰ কৰি দিয়ে। মুল সুতি সাংবাদিকৰ বাবে এইবোৰ খবৰৰ উৎস হৈ পৰিছে। তেনেদৰে প্ৰতিজন সাধাৰণ নাগৰিকেই হৈ পৰিছে একো একোজন সাংবাদিক। ছচিয়েল মিডিয়াৰ প্ৰতি থকা মানুহৰ নেতিবাচক ধাৰণা লাহে লাহে সলনি হৈছে। ইয়াৰ কেৱল বেয়া ব্যৱহাৰ দেখা লোকসকলৰ মানসিকতা সলনি কৰিছে নৱ-প্ৰজন্মই। ছ'চিয়েল মিডিয়াৰ ব্যাপক প্ৰভাৱ এতিয়া চৌদিশে। সেই বাবেই ৰাষ্ট্ৰীয় তথা আঞ্চলিক ভাষাৰ প্ৰতিষ্ঠিত সংবাদ মাধ্যমে এই মাধ্যমৰ জৰিয়তে সংবাদ পৰিবেশনৰ প্ৰতি গুৰুত্ব দিছে। আনকি ডিজিটেল মিডিয়া সংগঠন গঢ়ি তুলিছে। ইয়াৰ কাৰণ হ'ল ছ'চিয়েল মিডিয়াৰ ব্যাপক প্ৰভাৱ। হোৱাটছএপ, ফেচবুক আদিত ভাইৰেল হোৱা ভিডিঅ' এতিয়া খবৰ। গাঁৱে-ভূঞে এই মাধ্যমৰ জৰিয়েত এজাক প্ৰহৰী সৃষ্টি হৈছে। ইয়াত আগ-ভাগ লৈছে নৱ-প্ৰজন্মই। এনেদৰে ভাইৰেল হোৱা ভিডিঅ' তথা বাতৰিবোৰেহে এতিয়া সমাজত প্ৰভাৱ পেলোৱাৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ত, বিশ্ব পৰ্যায়ৰ সংবাদমাধ্যমৰ শীৰ্ষ বাতৰি হৈছে।

ছ'চিয়েল মিডিয়াৰ ইতিবাচক আৰু নেতিবাচক দুই প্ৰভাৱ আছে। কি মানসিকতাৰে ইয়াক ব্যৱহাৰ কৰা হৈছে সেইটোৱেহে বৰ্তমান গুৰুত্বপূৰ্ণ বিষয়। শেহতীয়াকৈ হোৱাটছএপে ভাৰতত অভিযোগ গ্ৰহণকাৰী বিষয়া নিযুক্তি দিছে। পুলিচে এই মাধ্যমবোৰৰ ওপৰত চোকা দৃষ্টি ৰাখে। কিন্তু সেইবোৰৰ লগতে নৱ প্ৰজন্মৰ দৃষ্টিভংগী সলনি হ'লেহে ইয়াক সংযত আৰু সঠিক ৰূপত ব্যৱহাৰ কৰিব পৰা যাব।

নৱ প্ৰজন্মই ফেচবুক বা হোৱাটছএপক কেৱল টাইম পাছৰ আহিলা হিচাপে লোৱা নাই। জ্ঞান অন্বেষণৰ আহিলাৰূপে গ্ৰহণ কৰিছে। শক্তিশালী যোগাযোগৰ মাধ্যমৰূপে লৈ নিজক আগুৱাই নিছে। গুজৱ সৃষ্টিকাৰী কিছু সংখ্যক লোকে এই মাধ্যমসমূহক লঘু কৰিলেও বেছি সংখ্যক লোকৰ বাবে এতিয়া হোৱাটছএপ, ফেচবুক দৈনন্দিন জীৱনৰ অংগ হৈ পৰিছে।

The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License

ISSN (ELECTRONIC): 2945-3135

ড° বিভা হাজৰিকা (2025). **শিক্ষাৰ ওপৰত ছচিয়েল মিডিয়াৰ প্ৰভাৱ** . *International Journal of Multidisciplinary Research & Reviews, 4(4), 100-111.*

ফেচবুক আৰু হোৱাটছএপ তথা ছ'চিয়েল মিডিয়া ব্যৱহাৰ সন্দৰ্ভত বিভিন্ন সময়ত বিভিন্ন সমীক্ষা হৈছে। এই সমীক্ষাবোৰৰ তথ্যই এটা কথা উদঙাই দিয়ে যে, বিশ্বৰ ৮০ শতাংশতকৈ অধিক লোকক এতিয়া খবৰ দিয়ে এই ছ'চিয়েল মিডিয়াই। তাৰ ভিতৰত ফেচবুকৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। ইফালে খবৰ আৰু বিভিন্ন তথ্যপাতি বিনিময়ৰ বাবে বিশ্বজুৰি এক গুৰুত্বপূৰ্ণ মাধ্যম হৈ পৰিছে হোৱাটছএপ। ছ'চিয়েল মিডিয়াৰ ব্যৱহাৰৰ সন্দৰ্ভত একাষাৰে নেতিবাচক মন্তব্য কৰা সকলেই এতিয়া এই মাধ্যমৰ শৰণাপন্ন হৈছে।

২০১৪ চন, ভাৰতীয় ৰাজনীতিৰ কাৰণে আছিল এটা গুৰুত্বপূৰ্ণ বছৰ। পৰিৱৰ্তনৰ ছুনামী অহা এই বছৰটোতে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত যুৱ প্ৰজন্মক ছ'চিয়েল মিডিয়াৰ জৰিয়তে আকৰ্ষিত কৰিবলৈ ৰাজনৈতিক দলবোৰে চেষ্টা কৰিছিল। সেই দৌৰত শাসনাধিষ্ঠ বিজেপি দলে যথেষ্ট সফলতা লাভ কৰিছিল। যুৱ প্ৰজন্মই সেই বছৰ নিৰ্বাচনৰ ফলাফলত বিশেষ ভূমিকা লৈছিল। কিন্তু ৫ বছৰ নৌহওঁতেই তেওঁলোকৰ মানসিকতা, দৃষ্টিভংগী আৰু শাসনলৈ অহা সকলৰ বেয়া কামৰ সমালোচনা এই মাধ্যমৰ জৰিয়তে আৰম্ভ কৰিছে। অৰ্থাৎ ইয়াক কোনো কৰাণতে একপক্ষীয় কৰি ৰাখিব নোৱাৰি। সকলোৱে ইচ্ছা অনুসৰি নিজৰ মতামত, দৃষ্টিভংগী ব্যক্ত কৰিবলৈ ই এক সুন্দৰ মাধ্যম। ছ'চিয়েল মিডিয়া আৰু উৰা বাতৰি আন এক গুৰুত্বপূৰ্ণ বিষয়। বিভিন্ন জনে এই মাধ্যমৰ জৰিয়তে এক অস্থিৰ পৰিৱেশ সৃষ্টি কৰে। সেয়ে নৱপ্ৰজন্ম সজাগ আৰু সচেতন হ'ব লাগিব। যিসকলৰ বাবে ছ'চিয়েল মিডিয়া সমালোচনাৰ সন্মুখীন হয়, কেৱল তেওঁলোকই এই মাধ্যমৰ ব্যৱহাৰকাৰী নহয়। তেওঁলোকৰ উপৰিও সঠিকভাৱে ছ'চিয়েল মিডিয়া ব্যৱহাৰ কৰা লোক আছে। এই সকল কেনেদৰে এই মাধ্যমৰ পৰা উপকৃত হৈছে তাকো বিচাৰ বিশ্লেষণ কৰিব লাগিব।

নৱ প্ৰজন্মক গালি পাৰি ফেচবুক, হোৱাটছএপৰ জৰিয়তে মন্তব্য কৰা সকলে এইটো উপলব্ধি কৰিব লাগিব যে সময়ৰ দ্ৰুত পৰিৱৰ্তনৰ সৈতে খাপ খোৱাবলৈ নিজকে সলনি কৰিব পাৰিব লাগিব। সাহিত্য চৰ্চা, সংগীত সাধনা, ৰাজনীতি, সামাজিক সমস্যাৰ ব্যাপক প্ৰচাৰ, যোগাযোগৰ মাধ্যম, কিছু মুহূৰ্তৰ বাবে বিনোদন আদি সকলোৱে দিব পাৰে এই মাধ্যমসমূহে। মুঠৰ ওপৰত সকলো ধৰণৰ জ্ঞান অধ্যয়নৰ মাধ্যম ছচিয়েল মিডিয়া অতি শেহতীয়াকৈ সাহিত্য চৰ্চাৰ বাবে এই নব্য মাধ্যমে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। ব্যৱসায়ী সকলৰ বাবে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ প্ৰচাৰ-প্ৰসাৰৰ এখন ক্ষেত্ৰ দিছে। মূল সংবাদমাধ্যমৰ লোকসকলো আজি ছ'চিয়েল মিডিয়াৰ ওপৰত নিৰ্ভৰশীল। বিশেষকৈ ডিজিটেল সংবাদ মাধ্যমসমূহে মানুহৰ মাজত জনপ্ৰিয়তা লাভ কৰা অন্যতম কাৰণ হৈছে- যিকোনো স্থানতে

The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License

ISSN (ELECTRONIC): 2945-3135

ড° বিভা হাজৰিকা (2025). **শিক্ষাৰ ওপৰত ছচিয়েল মিডিয়াৰ প্ৰভাৱ** . *International Journal of Multidisciplinary Research & Reviews, 4(4), 100-111.*

তাৎক্ষণিকভাৱে কোনো এক খবৰ লাভ কৰিব পাৰি। সেই সুবিধা এতিয়া আন মাধ্যমসমূহত নাই। এইটো ঠিক যে, এই মাধ্যমসমূহৰ ব্যৱহাৰ আৰু অধিক সচেতনতাৰে আৰু গভীৰ ভাৱে মূল্যায়ন হ'ব লাগিব। ইয়াৰ সৈতে জড়িত লোকসকলে কোনো খবৰৰ তথ্য নিষ্ঠতা নিৰূপনৰ বাবে অধিক পৰিশ্ৰমৰ প্ৰয়োজন আছে।

ছ'চিয়েল মিডিয়া এতিয়া শক্তিশালী মাধ্যম। তাক অস্বীকাৰ কোনেও কৰিব নোৱাৰে। সেয়েহে এতিয়া সকলোৰে দৃষ্টি এই মাধ্যমৰ ওপৰত পৰিছে। বিশ্বৰ বৃহৎ কোম্পানীৰ পৰা আৰম্ভ কৰি গাঁৱৰ সৰু অনুষ্ঠানলৈকে সকলো এতিয়া ফেচবুক-হোৱাটছএপৰ ওপৰত নিৰ্ভৰশীল। যুৱ-প্ৰজন্মই বেপাৰ বাণিজ্যৰ জ্ঞানো ছচিয়েল মিডিয়াৰ পৰা পাইছে।

পৰিৱৰ্তনশীল সময়ত ছ'চিয়েল মিডিয়া জীৱনৰ পৰা কেতিয়াও বৰ্জনীয় হ'ব নোৱাৰে। কোনোবাই ব্যক্তিগত কাৰণত এনে মাধ্যমক আওকাণ কৰি চলিলেও, নৱ প্ৰজন্মই এই মাধ্যমক শক্তিশালী আৰু নিৰপেক্ষ মাধ্যমৰূপে গঢ়ি তুলিছে। সেয়েহে ইয়াত বন্দনা যেনেদৰে চলে একেধৰণে সমালোচনাও কৰে। তাত বাধা দিব পৰা কোনো নাই। এই ক্ষেত্ৰত যেতিয়ালৈকে ব্যৱহাৰকাৰী সকলৰ গভীৰ চিন্তা ধাৰা প্ৰতিফলন নঘটে, তেতিয়ালৈকে কিছু সমস্যা নিশ্চয় সৃষ্টি হ'ব।

এদিন ৰুচিবোধ সলনি হ'ব। সেইদিনা তৰল কথাবোৰ তল পৰিব আৰু উজ্বলি উঠিব এই সাৰ্বজনীন মাধ্যম। সেইদিন আহি আছে। সেয়েহে আমি আমাৰ মানসিকতা সলনি কৰি ৰুচিবোধ ৰক্ষাৰে এই মাধ্যমক আকোৱালি ল'লে এই ছ'চিয়েল মিডিয়া সমূহে আমাক ভাবিব নোৱাৰা ধৰণে সহায় কৰিব। লাহে লাহে এতিয়া তেনে পৰিৱেশেই আহিছে। নৱ প্ৰজন্মৰ এই ক্ষেত্ৰত আছে গুৰুত্বপূৰ্ণ দায়িত্ব। যি দায়িত্ব ইতিমধ্যে তেওঁলোকে গ্ৰহণ কৰিছে।

**১.০২ ছচিয়েল মিডিয়াই শিক্ষাৰ ওপৰত পেলোৱা বেয়া দিশঃ**

এতিয়াৰ পৰা প্ৰায় দুই দশকমান আগলৈকে কেইজনমান বন্ধু-বান্ধৱী লগ হ'লেই তেওঁলোকৰ মাজত হৈছিল অন্তহীন কথা-বতৰা, বিভিন্ন বিষয়ৰ আড্ডা আৰু জাউৰিয়ে জাউৰিয়ে হাঁহি। ইজনে সিজনক ভালদৰে জানিছিল, বুজিছিল। ইণ্টাৰনেটো আজিৰ দৰে ইমান সহজলভ্য নাছিল। বিজ্ঞানৰ অগ্ৰগতি আৰু তথ্য-প্ৰযুক্তিৰ বিকাশৰ লগে লগে গোটেই পৃথিৱীখন এখন সৰু গাঁৱলৈ পৰিণত হোৱাৰ লগতে ইণ্টাৰনেট সহজলভ্য হৈ পৰিল। হাতে হাতে থকা এণ্ড্ৰ'ইড্ ফোনসমূহে গোটেই পৃথিৱীখনকেই আমাৰ হাতৰ মুঠিলৈ আনি দিলে। 'ছ'চিয়েল মিডিয়া' (Social media)ৰ জৰিয়তে নিমিষতে পৃথিৱীৰ যিকোনো ঠাইৰ মানুহৰ সৈতে সংযোগ

The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License

ISSN (ELECTRONIC): 2945-3135

ডʻ বিভা হাজৰিকা (2025). শিক্ষাৰ ওপৰত ছচিয়েল মিডিয়াৰ প্ৰভাৱ . *International Journal of Multidisciplinary Research & Reviews, 4(4), 100-111.*

স্থাপন, ভাবৰ আদান-প্ৰদান কৰিব পৰা হ'ল। বিশেষকৈ যিকোনো ধৰণৰ সামাজিক সজাগতা সৃষ্টিৰ ক্ষেত্ৰত ইয়াৰ ভূমিকা অকল্পনীয়। বৰ্তমান সময়ত অসমীয়া সাহিত্য চৰ্চাৰ ক্ষেত্ৰততো ছ'চিয়েল মিডিয়াৰ, বিশেষকৈ ফেইচবুক আৰু হোৱাটচএপৰ অৱদান স্বীকাৰ কৰিবই লাগিব। ছ'চিয়েল মিডিয়াৰ জৰিয়তে ব্যৱসায়-বাণিজ্য, শিক্ষা-দীক্ষা আদি সকলো ক্ষেত্ৰতে ইয়াৰ ব্যৱহাৰকাৰীসকল উপকৃত হৈছে। ফলস্বৰূপে, দিনক-দিনে বাঢ়ি আহিছে ফেইচবুক (Facebook), টুইটাৰ (Tweeter), ইউটিউব (YouTube), হোৱাটছ্এপ (Whatsapp), পিণ্টাৰেষ্ট (Pinterest), ইন্ ষ্টাগ্ৰাম (Instagram), লিংক্ ইন (LinkedIn), টাম্বলৰ (Tumbler), ৰেডিট (Reddit), ভাইবাৰ(Viber), ডিগ(Digg), ডেলিশ্বাছ(Delicious), ষ্টাম্বল্আপন্ (StumbleUpo n), বিজছুগাৰ (BizSuger), পেৰিস্ক'প (Periscope), ভাইন (Vine), কুৰ'ৰা (Quora), স্নেপ্ চাট (Snapchat) আদি বিভিন্ন ধৰণৰ 'ছচিয়েল মিডিয়া' ব্যৱহাৰকাৰীৰ সংখ্যা। এক পৰিসংখ্যা অনুসৰি সমগ্ৰ পৃথিৱীতে ২০১৭ চনত ইয়াৰ ব্যৱহাৰকাৰীৰ সংখ্যা আছিল ২.৪৬ নিযুত, যাৰ পৰিমাণ বাঢ়ি গৈ ২০১৯ চনত ২.৭৭ নিযুত হ'বগৈ বুলি পূৰ্বানুমান কৰা হৈছে  এতিয়া আৰু আগৰ দৰে বন্ধু-বান্ধৱীৰ লগ হ'লে আড্ডা নহয়। লগ হয় ঠিকেই, কিন্তু দুই-এষাৰ কথা পতাৰ পাছতেই সকলো ম'বাইলত ইণ্টাৰনেটৰ একো একোখন বেলেগ বেলেগ পৃথিৱীত ব্যস্ত হৈ পৰে সকলো। তেওঁলোকৰ আড্ডা হয় ছ'চিয়েল মিডিয়াৰ বন্ধু-বান্ধৱীৰ লগত। সকলো বস্তুৰে ভাল আৰু বেয়া দুটা দিশ থকাৰ দৰে ছ'চিয়েল মিডিয়াৰ সৈতেও ভাল আৰু বেয়া দুয়োটা দিশ জড়িত হৈ আছে। বৰ্তমান সমাজৰ এক বৃহৎ সংখ্যক লোক ছ'চিয়েল মিডিয়াৰ প্ৰতি আসক্ত হৈ পৰিছে। সকলো ধৰণৰ আসক্তিয়েই ক্ষতিকাৰক হোৱাৰ দৰে ছ'চিয়েল মিডিয়াৰ প্ৰতিও অত্যধিক আসক্তি সমাজ জীৱনৰ বাবে ক্ষতিকাৰক হৈ ধৰা দিছে। বিশেষকৈ যুৱ প্ৰজন্মৰ বাবে ই শাৰীৰিক, মানসিক আৰু সামাজিক ক্ষতিৰ কাৰক হৈ ধৰা দিছে। ইয়াৰ অপকাৰসমূহ আলোচনা কৰিবলৈ হ'লে প্ৰথমেই আমি ক'বই লাগিব যে ই আমাৰ মূল্যৱান সময়ৰ এক বৃহৎ অংশৰ অপচয় কৰে। ফলত ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়া-শুনাৰ ক্ষতিতো হৈছেই, তদুপৰি আজৰি সময়কণ ছ'চিয়েল মিডিয়াত ব্যস্ত থকাৰ বাবে অন্যান্য সৃষ্টিশীল কামত সময় দিব নোৱৰাৰ ফলত তেওঁলোকৰ সৃষ্টিশীলতা হ্ৰাস পাবলৈ ধৰিছে। ছ'চিয়েল মিডিয়াৰ জৰিয়তে আমি হাজাৰ হাজাৰ মাইল দূৰৰ অচিনাকি বন্ধু-বান্ধৱৰ সৈতে সংযোগ স্থাপন কৰিছোঁ। তেওঁলোকৰ প'ষ্টত 'কমেণ্ট' কৰিছোঁ, 'ৰিপ্লাই' দিছোঁ, মেছেঞ্জাৰত বাৰ্তালাপ কৰিছোঁ; তেওঁলোকৰ সৈতে এক মধুৰ, সুহৃদ সম্পৰ্ক স্থাপন কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছোঁ আৰু তাৰ বাবে আমি যি সময় ব্যয় কৰিছোঁ, সেই সময় কাঢ়ি আনিছোঁ আমাৰ পৰিয়াল-পৰিজনক দিব লগা সময়ৰ পৰা। ফলস্বৰূপে আমি দূৰলৈ গৈ আছোঁ

The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License

আমাৰ পৰিয়াল-পৰিজন, আত্মীয়-স্বজনৰ পৰা; আমি দূৰলৈ গৈ আছোঁ সততে পোৱা আমাৰ আপোন বন্ধু-বান্ধৱীসকলৰ পৰা। অথচ বিপদে-সম্পদে থিতাতে আমাৰ কাষত ৰ'বহি। বাস্তৱ পৃথিৱীৰ বন্ধু-বান্ধৱীসকল বা পৰিয়াল-পৰিজন। হয়তো ইচ্ছা কৰিলেও আমাৰ কাষত নিমিষতে থিয় দিব নোৱাৰিব এই 'ভাৰ্চুৱেল পৃথিৱী'-ৰ সেই অপোন বন্ধু-বান্ধৱীসকল। আৱেগিক সম্পৰ্ক নথকা বাবে এনে বন্ধু-বান্ধৱীসকল বহুসময়ত এজনে আনজনৰ প্ৰতি সামান্য অজুহাততে মাত্ৰাধিক কঠোৰ হৈ পৰাৰ উপৰি জনমানসত হেয় প্ৰতিপন্ন কৰি বদনামী কৰিবলৈকো কুণ্ঠাবোধ নকৰে। যুব-প্ৰজন্মৰ মানসিকতাৰ সাংঘাটিক অৱক্ষয়ৰ কাৰণ ছচিয়েল মিডিয়া। বহু সময়ত ছচিয়েল মিডিয়াই আমাক হীনমান্যতাত ভোগোৱাৰ লগতে আমাক বিষাদগ্ৰস্ত কৰি তোলে। বৰ্তমান যুগত আমি সকলো আহৰিহীনভাৱে কৰ্মব্যস্ত। আধুনিক জীৱন যাত্ৰাত বিভিন্ন সময়ত আমি মুখামুখি হওঁ নানান টা সমস্যা, ঘাত-প্ৰতিঘাত আদিৰ। বিভিন্ন চাপ, হতাশা আদিয়ে আৱৰি বৰ্তমান যুগত আমি সকলো আহৰিহীনভাৱে কৰ্মব্যস্ত। আধুনিক জীৱন যাত্ৰাত বিভিন্ন সময়ত আমি মুখামুখি হওঁ নানান টা সমস্যা, ঘাত-প্ৰতিঘাত আদিৰ। বিভিন্ন চাপ, হতাশা আদিয়ে আৱৰি থাকে আমাৰ মন-মনন। তেনেবোৰ সময়ত আমাৰ বন্ধু-বান্ধৱীসকলে ছ'চিয়েল মিডিয়াত 'আপল'ড' কৰা, ধুনীয়া ধুনীয়া ঠাইলৈ যোৱা, নামী-দামী ৰেষ্টুৰেণ্টত সুস্বাদু খাদ্য খোৱা, তেওঁলোকৰ জীৱনৰ নানা ধৰণৰ প্ৰাপ্তি, আনন্দ আৰু সুখী সময়ৰ ধুনীয়া ধুনীয়া ৰঙীন ফট'সমূহ দেখি আমাৰ মনত ভাব হ'বলৈ ধৰে যে আমাৰ নিজৰ বাহিৰে আন সকলোৱেই ফট'বোৰৰ দৰেই এখন ৰঙীন পৃথিৱীত বাস কৰিছে। সেই ৰঙীন পৃথিৱীৰ সৈতে নিজৰ কঠিন বাস্তৱৰ তুলনা কৰি আমি এক ধৰণৰ হীনমান্যতাৰ লগতে বিষণ্ণতাত ভুগিবলৈ আৰম্ভ কৰোঁ। কিন্তু আমি ভাবি নাচাওঁ যে সেই ফট'সমূহে তেওঁলোকৰ জীৱনক আংশিকভাৱেহে প্ৰতিফলিত কৰে; সম্পূৰ্ণ জীৱনটোক নহয়। বহুতৰে ক্ষেত্ৰত, ফট'ত নথকা জীৱনটো, ফট'ৰ জীৱনৰ সম্পূৰ্ণ বিপৰীতহে হোৱা দেখা যায়। আমি নিজেও জানো দহ-বাৰখন ফট' তুলি তাৰ ভিতৰত আটাইতকৈ সুন্দৰ ফট'খনেই 'আপল'ড' কৰো· আমিওতো কেৱল 'সুন্দৰ'-খিনিহে ছ'চিয়েল মিডিয়াত দিওঁ; আমাৰ কুৎসিত ফট' এখন, বেয়া সময়বোৰ, অথবা আমাৰ বেয়া খবৰবোৰতো কেতিয়াও প্ৰকাশ নকৰোঁ আৰু এনেদৰেই আমি সকলোৱেই ছ'চিয়েল মিডিয়াত নিজৰ নিজৰ একোখন ভ্ৰান্ত প্ৰতিচ্ছবি(Image) গঢ়ি তোলোঁ। ভ্ৰান্ত প্ৰতিচ্ছবিৰ সৈতেই যিহেতু আমি বন্ধুত্ব কৰো, প্ৰেম কৰোঁ অথবা সম্পৰ্ক গঢ়ি তোলোঁ, সম্পৰ্কবোৰে সেয়ে গভীৰতা লাভ কৰিব নোৱাৰে। বহুক্ষেত্ৰত বাস্তৱ জীৱনত তেনে বন্ধু-বান্ধৱী অথবা প্ৰেমিক-প্ৰেমিকা লগ হোৱাৰ পাছত মনত লৈ ফুৰা ভ্ৰান্ত প্ৰতিচ্ছবি আৰু বাস্তৱৰ মাজত আকাশ-পাতাল পাৰ্থক্যৰ ফলত সম্পৰ্কবিলাক থানবান হৈ যোৱাৰো উদাহৰণ দেখা যায়। কেতিয়াবা ছ'চিয়েল মিডিয়াই আত্মীয়-স্বজন, বন্ধু-বান্ধৱীৰ সৈতে ভুল বুজাবুজিৰ সৃষ্টি কৰাত যথেষ্ট অৰিহণা আগবঢ়ায়। বহুসময়ত আমি আমাৰ প'ষ্টসমূহত

The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License

ড° বিভা হাজৰিকা (2025). শিক্ষাৰ ওপৰত ছচিয়েল মিডিয়াৰ প্ৰভাৱ . *International Journal of Multidisciplinary Research & Reviews, 4(4), 100-111.*

আমাৰ বাস্তৱ জীৱনৰ বন্ধু-বান্ধৱী, আত্মীয়-স্বজনৰ পৰা 'লাইক', 'ক'মেণ্ট' আদি আশা কৰোঁ। কিন্তু আমি আশা কৰাৰ দৰে যদি তেওঁলোকৰ পৰা সেইবিলাক নাপাওঁ, তেন্তে আমি তেওঁলোকক বেয়া পাবলৈ আৰম্ভ কৰোঁ। আমি ভাবিবলৈ লওঁ যে তেওঁলোকে আমাক ঈৰ্ষা কৰে। গতিকে আমি তেওঁলোকক এৰাই চলিবলৈ আৰম্ভ কৰোঁ। আমি কেতিয়াও নাভাবো যে তেওঁলোকে হয়তো আমাৰ প'ষ্ট নেদেখিব পাৰে বা কিবা ব্যস্ততাত তেওঁলোকে ছ'চিয়েল মিডিয়াৰ পৰা আঁতৰি থাকিব পাৰে। আৰু এনেকৈয়ে আমি কিছুমান মূল্যৱান সম্পৰ্ক হেৰুৱাবলৈ আৰম্ভ কৰোঁ।

ছ'চিয়েল মিডিয়াৰ প্ৰয়োজনাধিক ব্যৱহাৰে আমাক এলেহুৱা কৰি তুলিছে। আমি কাম কৰাতকৈ বহি বহি 'ভাৰ্চুৱেল পৃথিৱী'- ত আড্ডা দি থাকি ভাল পোৱা হৈছো, যাৰ দুৰ্ভোগ ভূগিব লগা হৈছে আমাৰ মূল্যৱান চকুহালে। আমি খিংখিঙীয়া হৈ পৰিছোঁ। আমাৰ শাৰীৰিক শ্ৰম, খেলা-ধূলা আদি কমি যোৱাৰ ফলত আমি শাৰীৰিকভাৱেও ক্ষতিৰ সমুখীন হৈছোঁ।

এই সকলোবিলাকৰ উপৰি ছ'চিয়েল মিডিয়াত উপলব্ধ নানা ধৰণৰ খেল, উদাহৰণস্বৰূপে-মৃত্যু কেতিয়া হ'ব, বুঢ়া ! বঢ়ী হ'লে দেখিবলৈ কেনেকুৱা হ'ব আদি বিভিন্ন খেলসমূহ খেলিবলৈ যাওঁতে সেই 'এপ'-বিলাকক আমাৰ সকলো বিলাক ব্যক্তিগত তথ্য পৰীক্ষা কৰিবলৈ অনুমতি দিবলগীয়া হয়, যিবোৰ বহুসময়ত আমাৰ বাবে বিপজ্জনক হ'ব পাৰে বুলি ইতিমধ্যে স্বীকাৰ কৰিছে। ই আমাক অধ্যয়নশীল মনোভাৱ নাইকিয়া কৰিছে ।

ছাত্ৰ-ছাত্ৰীসকলে ছ'চিয়েল মিডিয়াৰ অত্যধিক বা অপ্ৰয়োজনীয় ব্যৱহাৰে তেওঁলোকক নিচাযুক্ত কৰি তুলিব পাৰে, যাৰ ফলত তেওঁলোকৰ শিক্ষাতকৈ ছ'চিয়েল মিডিয়াক অগ্ৰাধিকাৰ দিয়া হয়। নিচাৰ উদাহৰণ হ'ল পৰ্ণগ্ৰাফী চোৱা, যৌন এছএমএছ পঠোৱা/ফৰৱাৰ্ড কৰা, ছ'চিয়েল মিডিয়া ব্যৱহাৰ মোবাইল ফোনত বহু সময় কটায়, য'ত তেওঁলোকে নিজৰ ব্যক্তিগত জীৱনৰ সৈতে জড়িত তথ্য/ফটোগ্ৰাফ, ব্যক্তিগত পছন্দ/অপছন্দ, মন্তব্য/বাৰ্তা শ্বেয়াৰ কৰে, যাৰ ফলত কেতিয়াবা চাইবাৰ গুণ্ডাগিৰিৰ ক্ষেত্ৰতো দেখা দিয়ে। চাইবাৰ গুণ্ডাগিৰি হৈছে অনলাইনত আন এজন ব্যক্তিক মানসিকভাৱে হাৰাশাস্তি কৰাৰ বাবে বিশ্বজুৰি বহুত ঘটা অন্যতম ডাঙৰ চিন্তা। চাইবাৰ গুণ্ডাগিৰিৰ বাবে বেছিভাগেই ৰিপৰ্ট কৰা বাহন হৈছে ছ'চিয়েল নেটৱৰ্কিং ৱেবছাইট বা এপ্লিকেচন। গুণ্ডাসকলে ব্যক্তিগতভাৱে হোৱাতকৈ ছ'চিয়েল মিডিয়াৰ জৰিয়তে অধিক তীব্ৰতা আৰু অধ্যৱসায়ৰে ভুক্তভোগীক লক্ষ্য কৰি ল'ব পাৰে। অশৈক্ষিক উদ্দেশ্যত ছ'চিয়েল মিডিয়াৰ অত্যধিক আৰু অপ্ৰয়োজনীয় ব্যৱহাৰে তেওঁলোকৰ শিক্ষণ আৰু শৈক্ষিক কাৰ্যকলাপৰ পৰা বিচলিত কৰে, যাৰ ফলত মানসিক স্বাস্থ্য আৰু শাৰীৰিক স্বাস্থ্যৰ অৱনতি ঘটে। আজি ছাত্ৰ-ছাত্ৰীসকলে বাহিৰৰ খেলৰ পৰিৱৰ্তে অনলাইন গেম খেলিবলৈ পছন্দ কৰে, যাৰ ফলত

The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License

ড° বিভা হাজৰিকা (2025). **শিক্ষাৰ ওপৰত ছচিয়েল মিডিয়াৰ প্ৰভাৱ** . *International Journal of Multidisciplinary Research & Reviews, 4(4), 100-111.*

তেওঁলোকৰ মানসিক আৰু শাৰীৰিক সুস্থতাৰ ওপৰত যথেষ্ট প্ৰভাৱ পৰে। কিছুমান ছাত্ৰ-ছাত্ৰীৰ অনিয়মিত খাদ্যাভ্যাস আৰু টোপনিৰ বিকাৰৰ সৃষ্টি হৈছে, যাৰ ফলত তেওঁলোকৰ হতাশা, উদ্বেগ আৰু মেজাজৰ পৰিৱৰ্তন হ'ব পাৰে। ছ'চিয়েল মিডিয়াত বহু সময় কটালে আমাৰ শাৰীৰিক কাৰ্যকলাপ কমি যায়, যাৰ ফলত বহি থকা জীৱনশৈলীৰ সৃষ্টি হ'ব ৰে।

ছ'চিয়েল মিডিয়া আমাৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে, যাৰ ফলত শিক্ষাকে ধৰি আমাৰ দৈনন্দিন জীৱনৰ বিভিন্ন দিশত যথেষ্ট প্ৰভাৱ পৰিছে। ছ'চিয়েল মিডিয়াই আমাৰ স্পৰ্শকাতৰ তথ্য আৰু ব্যক্তিগত তথ্য সংগ্ৰহ কৰে, যাৰ ফলত গোপনীয়তাৰ সমস্যা হ'ব পাৰে।

শিক্ষাত ছ'চিয়েল মিডিয়া আৰু কৃত্ৰিম বুদ্ধিমত্তা (এ.আই.)ৰ একত্ৰীকৰণৰ ফলত এক উদ্ভাৱনীমূলক পৰিৱৰ্তন, শৈক্ষিক পৰিৱেশ পুনৰ গঢ় দিয়া, আৰু শিক্ষণ অভিজ্ঞতা বৃদ্ধি কৰা হৈছে। ছ'চিয়েল মিডিয়া প্লেটফৰ্ম ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীসলে দূৰৱৰ্তী শিক্ষণৰ এক নতুন পদ্ধতিৰ অভিজ্ঞতা লাভ কৰিছে, জ্ঞান ভাগ-বতৰা কৰিছে, আৰু বিশ্বৰ যিকোনো ঠাইতে সমনীয়া আৰু শিক্ষাবিদৰ সৈতে সংযোগ স্থাপন কৰিছে। ব্যক্তিগতকৃত শিক্ষণ, বুদ্ধিমান টিউচন ব্যৱস্থা, মূল্যায়নৰ স্বয়ংক্ৰিয়কৰণ, আৰু শিক্ষক-ছাত্ৰৰ সহযোগিতা শিক্ষাত চছিয়েল মিডিয়াই শিক্ষণ ফলাফল, দক্ষতা আৰু গুণগত শিক্ষাৰ বিশ্বব্যাপী প্ৰৱেশৰ উন্নতি সাধন কৰিছে। কিন্তু আধুনিক পাঠদান পদ্ধতিৰ প্ৰতি ইয়াৰ প্ৰত্যাহ্বানও আছে।

## ২.০০ উপসংহাৰঃ

ইমান বিলাক স্বত্তেও আমি ছ'চিয়েল মিডিয়া ব্যৱহাৰ নকৰাকৈও থাকিব নোৱাৰোঁ। ই যুগৰ দাবী। গতিকে যিমান দূৰ সম্ভৱ, অতি সাৱধানে, ইয়াৰ প্ৰতি কোনো ধৰণৰ আসক্তি নৰখাকৈ, সকলো কুপ্ৰভাৱৰ পৰা মুক্ত থাকি, পাৰ্যমানে ইয়াৰ সুফলসমূহ গ্ৰহণ কৰি, অতি বুদ্ধিমানভাৱে আমি ছ'চিয়েল মিডিয়া ব্যৱহাৰ কৰা উচিত।মানৱ সভ্যতাৰ ইতিহাসত বিংশ শতাব্দী হৈছে বিজ্ঞানৰ উৎকৰ্ষ সাধনৰ চৰম শতাব্দী। এই শতিকাতে বিজ্ঞানে বহুতো অভুতপূৰ্ব আৱিষ্কাৰেৰে মানৱজতিক আশীৰ্বাদপ্ৰাপ্ত কৰি তুলিছে।

ওপৰৰ আলোচনাৰ পৰা আমি কিছুমান সিদ্ধান্তত উপনীত হ'ব পাৰো -----

প্ৰথমত, ছ'চিয়েল মিডিয়াসমূহ অৰ্থাৎ ইন্টাৰনেট, মোবাইল, ইমেইল, ফেচবুক, ইউটিউব, টুইটাৰ, ইনষ্টাগ্ৰাম আদিৰ জৰিয়তে এক মূহুৰ্ততে বিশ্বৰ এটা প্ৰান্তৰ পৰা আন এক প্ৰাপ্তলৈ যোগাযোগ সম্ভৱ হৈছে। ইয়াৰ দ্বাৰা বাতৰি, ছবি, গ্ৰাফিক্স, দৃশ্য, ঘটনাৰ চলন্ত ৰূপ আদি দূৰ-

The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License

ড° বিভা হাজৰিকা (2025). শিক্ষাৰ ওপৰত ছচিয়েল মিডিয়াৰ প্ৰভাৱ . *International Journal of Multidisciplinary Research & Reviews, 4(4), 100-111.*

দূৰান্তৰলৈ পঠোৱা সম্ভৱ হৈছে। সেয়ে ছ'চিয়েল মিডিয়াসমূহৰ জনপ্ৰিয়তা বৰ্ণনাতীতভাৱে বৃদ্ধি পাইছে।

দ্বিতীয়তে, ছ'চিয়েল মিডিয়াসমূহ অতি কম খৰচী। এটা মাথো ক্লিকৰ জৰিয়তে হাজাৰ হাজাৰ কিলোমিটাৰ দূৰলৈ তথ্যৰ আদান-প্ৰদান কৰিব পৰা শিকাৰ এক মাধ্যম।

তৃতীয়তে, ছ'চিয়েল মিডিয়াসমূহ বা-বাতৰি, নানান তথ্য তুৰন্তে আদান-প্ৰদান কৰাৰ লগতে ই বিনোদনৰ অতি সহজ মাধ্যমত পৰিণত হৈছে। আমি কম্পিউটাৰ বা মোবাইলত নানান ধৰণৰ গেম খেলিব পাৰো, গীত শুনিব পাৰো, ভিডিঅ' আলোচনাত অংশ গ্ৰহণ কৰিব পাৰো, গ্ৰন্থ অধ্যয়ন কৰিব পাৰো, শিক্ষা গ্ৰহণ কৰিব পাৰো, কোনো বক্তব্য মূহুৰ্ততে ভাষান্তৰ কৰিব পাৰো ইত্যাদি।

চতুৰ্থতে, ছ'ছিয়েল মিডিয়াসমূহৰ ব্যৱহাৰে বৰ্তমান বিশ্বখনক অতি সংকুচিত কৰি সমগ্ৰ মানৱ জাতিক এক বিশ্ব-ভাতৃত্বৰ বান্ধোনেৰে বান্ধি পেলাইছে। ফলত জাতি আৰু সম্প্ৰদায়সমূহৰ মাজৰ দূৰত্ব কমি আহি আন্তৰাষ্ট্ৰীয় বুজাপৰা সহজ হৈ পৰিছে। ই বিশ্ব জ্ঞানৰ ভাণ্ডাৰলৈ পৰিণত হৈছে।

**সহায়ক গ্ৰন্থঃ**

1. Ansari, JA.N., &Khan, N.A. (2002). Exploring the role of social media in collaborative learning the new domain of learning. Smart Learning Environments, 7(1),1-16.

2. Boateng, R., & Amankwaa, A. (2006). The impact of social media on student academic life in higher education. Global Journal of Human-Social Science, 16(4),1-8.

3. C.Chandralekha, Krishna Adithya, "Impact of social media in education", JETIR December 2018, Volume 5, Issue 12.

4. Dutta, A. (2002). Impact of digital social media on Indian higher education: alternative approaches of online learning during COVID-19 pandemic crisis. International Journal of Scientific and Research Publication, 10(5), 604-611.

5. Kumar, V., & Nanda, P. (2019). Social media in higher education: A framework for continuous engagement. International Journal of Information and Communication Technology Education (IJICTE), 15(1), 97-108.

6. Raut, V., & Patil, P. (2016). Use of social media in Education: Positive and Negative impact on the students. International Journal on Recent and Innovation Trends in Computing and Communication, 4(1), 281-285.

7. Saini, N., & Mir, S.A.(2023). Social Media: Usage and the Impact on Education. Journal of Namibian Studies, 33 S3:4670-4689.

The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License

ড° বিভা হাজৰিকা (2025). শিক্ষাৰ ওপৰত ছচিয়েল মিডিয়াৰ প্ৰভাৱ . *International Journal of Multidisciplinary Research & Reviews, 4(4), 100-111.*

8. Siddiqui Shabnoor, Singh Tajinder, "Social Media its Impact with Positive and Negative Aspects", International Journal of Computer Applications Technology and Research, Volume 5- Issue 2, 71-75, 2016, ISSN:- 2319-8656.

9. Sharma Monika, "Social Media and its role in Education", ResearchGate,https://www.researchgate.net/publication/380400937, Chapter, may 2024 https://worldpopulationreview.com/country-rankings/social-media-users-by-country

10. Zouhair Slimi, "The Impact of Artificial Intelligence on Higher Education: An Empirical Study", European Journal of Educational Sciences, March 2023.

11. ডেকা , জয়জিৎ --- গণসংযোগ আৰু সাংবাদিকতা
প্ৰথম প্ৰকাশ - আগষ্ট ২০১২

12. মহন্ত বেজবৰুৱা নিৰঞ্জনা --- যোগাযোগ কলা
প্ৰকাশন --বনলতা

13. সিসোদিয়া মনীষ --- শিক্ষা
প্ৰকাশন -- অসম পাবলিচিং কোম্পানী
কলেজ হোষ্টেল ৰোড
প্ৰথম প্ৰকাশ --২০২২

14. ৰুণু বৰা শইকীয়া - শৈক্ষিক প্ৰযুক্তিবিদ্যা
প্ৰকাশন - বিদ্যা ভৱন যোৰহাত
প্ৰথম প্ৰকাশ -- ২০১৩

The work is licensed under a Creative Commons Attribution Non Commercial 4.0 International License